জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

*প্ৰেছ বাৰ্তা নং - ২১১/২০২১*

# স্বাধীনতা দিৱস উপলক্ষে অসম আৰক্ষীৰ ৬ গৰাকী বীৰ জোৱানলৈ মৰণোত্তৰভাৱে মুখ্যমন্ত্ৰীৰ বিশেষ সেৱা পদক আৰু ৫ গৰাকী আৰক্ষী বিষয়া-কৰ্মীলৈ মুখ্যমন্ত্ৰীৰ উৎকৃষ্ট সেৱা পদক ঘোষণা ৰাজ্য চৰকাৰৰ

**দিছপুৰ, ১৪ আগষ্ট ঃ** দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে ৰাজ্য চৰকাৰে অসম আৰক্ষীৰ ৬ গৰাকী বীৰ জোৱানলৈ মৰণোত্তৰভাৱে মুখ্যমন্ত্ৰীৰ বিশেষ সেৱা পদক আগবঢ়োৱাৰ লগতে আন ৫ গৰাকী আৰক্ষী বিষয়া-কৰ্মীলৈ মুখ্যমন্ত্ৰীৰ উৎকৃষ্ট সেৱা পদক আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে।

অসম-মিজোৰাম সীমান্তত শেহতীয়াকৈ সংঘটিত দুৰ্ভাগ্যজনক ঘটনাত প্ৰাণ হেৰুওৱা ৬ গৰাকী শ্বহীদলৈ সংকটকালীন পৰিস্থিতিত আগবঢ়োৱা সেৱাৰ বাবে মুখ্যমন্ত্ৰীৰ বিশেষ সেৱা পদক (মৰণোত্তৰ) প্ৰদানৰ কথা ঘোষণা কৰা হৈছে। তেওঁলোক হৈছে — ২১ নং অসম পুলিচ (আই আৰ) বেটেলিয়নৰ উপ-পৰিদৰ্শক স্বপন কুমাৰ ৰয়, ৬ নং অসম পুলিচ বেটেলিয়নৰ হাবিলদাৰ শ্যাম সুন্দৰ দুসাধ, ২১ নং অসম পুলিচ (আই আৰ) বেটেলিয়নৰ কনিষ্টবল ছামচুজ জামান বৰভুঁইয়া, কাচাৰ জিলা আৰক্ষী বাহিনীৰ কনিষ্টবল লিটন শুক্লবৈদ্য, কাচাৰ জিলা আৰক্ষী বাহিনীৰ কনিষ্টবল মজৰুল হক বৰভুঁইয়া আৰু ৬ নং অসম পুলিচ বেটেলিয়নৰ কনিষ্টবল নজৰুল হুছেইন।

আনহাতে কৰ্মক্ষেত্ৰত আগবঢ়োৱা অনবদ্য সেৱাৰ বাবে মুখ্যমন্ত্ৰীৰ উৎকৃষ্ট সেৱা পদক লাভ কৰা আৰক্ষীৰ বিষয়া-কৰ্মীসকল হৈছে ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া নিম্বলকাৰ বৈভৱ চন্দ্ৰকান্ত, গুৱাহাটীৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ৰ পৰিদৰ্শক মুকুল কাকতি, বিশ্বনাথ জিলা আৰক্ষীৰ পৰিদৰ্শক সত্যেন সিং হাজাৰী, কাৰ্বি আংলং জিলাৰ খটখটী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰূপে কৰ্মৰত উপ-পৰিদৰ্শক মৌবলিক ব্ৰহ্ম আৰু কাৰ্বি আংলং আৰক্ষীৰ কনিষ্টবল বৰসিং বে'।

*প্ৰঃকুঃবঃ*
*১৪-৮-২০২১*

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in